# হিন্দী বোলছবিত মহিলা মানসিক ৰোগী, মানসিক ৰোগ আৰু চিকিৎসাৰ উপস্থাপন

**ড° মৌচুমী মহন্ত**

*মহিলা অধ্যয়ন কেন্দ্ৰ, তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, নপাম, পিন- ৭৮৪০২৮, তেজপুৰ, অসম*

*Correspondence :* E-mail : mousumi@tezu.ernet.net,
mousumi.mahanta760@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

জনসংযোগৰ জনপ্ৰিয় মাধ্যম যেনে চলচিত্ৰ, ছপামাধ্যম বা ধাৰাবাহিক সমূহে প্ৰায়ে সমাজৰ সদ্য প্ৰচলিত ঘটনা বা ভাৱধাৰাক উপস্থাপন কৰা দেখা যায়। 'মানসিক ৰোগো' এক বিষয়বস্তু যাক হিন্দী চলচ্চিত্ৰ সমুহত বিভিন্ন সময়ত ভিন্নধৰণে উপস্থাপন কৰি ৰাইজৰ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে; কিন্তু 'মানসিক ৰোগ', 'মানসিক ৰোগী' বা ইয়াৰ চিকিৎসা সমূহক চলচিত্ৰ সমূহে প্ৰায়ে এনে ধৰণেৰে উপস্থাপন কৰিছে যে যাৰ দ্বাৰা সমাজত এই বিষয়সমূহৰ প্ৰতি এক ভ্ৰান্ত ধাৰণাৰহে সৃষ্টি হৈছে বা সমাজত এই বিষয়সমূহৰ প্ৰতি থকা বদ্ধমূল ধাৰণাসমূহ গাঢ় হোৱাত সহায় আগবঢ়াইছে। বিশেষকৈ হিন্দী চলচ্চিত্ৰ সমুহত মহিলা মানসিক ৰোগী আৰু তাৰ লগত জড়িত বিষয় সমুহক অতিৰঞ্জিতভাৱে উপস্থাপন কৰাৰ ফলত মানসিক ৰোগক 'মহিলাৰ অসুখ' হিচাপে প্ৰতিষ্ঠাপিত কৰাত এই চলচ্চিত্ৰসমূহে বিশেষ অৰিহণা যোগাই আহিছে। আমাৰ পুৰুষতান্ত্ৰিক সমাজখনক মহিলা মানসিক ৰোগীৰ প্ৰতি এক সম্পূৰ্ণ বিভেদকামী মনোভাব সৃষ্টি কৰাত এই চলচ্চিত্ৰসমূহৰ এক বিশেষ অৱদান আছে। এই প-প্ৰত্ৰখনৰ যোগেদি বিভিন্ন সময়ত হিন্দী চলচ্চিত্ৰত মহিলা মানসিক ৰোগী আৰু ইয়াৰ চিকিৎসাক কি ধৰণে উপস্থাপন কৰা হৈছে ইয়াকেই বিশ্লেষণ কৰা হৈছে। বিশ্লেষণৰ সময়ত নাৰীবাদী দৃষ্টিভংগীৰ ব্যৱহাৰ কৰা হৈছে।

***বীজ শব্দ ঃ** মানসিক ৰোগ, মহিলা মানসিক ৰোগী, চিকিৎসা, উপস্থাপন, হিন্দী চলচ্চিত্ৰ, সমাজ।*

**অৱতৰণিকা ঃ**

সমাজতত্ত্ববিদ তথা ৰাজনৈতিক বিশ্লেষক ষ্টুৱাৰ্ট হলৰ মতে উপস্থাপন হৈছে এক গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া যাৰদ্বাৰা কোনো এক বিষয়বস্তুৰ ভাবাৰ্থ নতুনকৈ সৃষ্টি কৰা হয় আৰু তাক গণমাধ্যমৰ যোগেদি প্ৰচাৰ কৰা হয়। এই ভাবাৰ্থসমূহ সাধাৰণতে ভাষা, চিহ্ন আৰু অভিব্যক্তিৰদ্বাৰা প্ৰকাশ কৰা হয়। হলৰ মতে, উপস্থাপন হৈছে সামাজিক আৰু





সাংস্কৃতিকভাৱে নিৰ্মিত আৰু ই কেতিয়াবা সমাজত অসমতা আৰু শোষণৰ ভাব বিয়পাব পাৰে[১]। গণমাধ্যম, বিশেষকৈ চলচ্চিত্ৰৰ ভাষা, চিহ্ন আৰু অভিব্যক্তিসমূহত প্ৰায়ে প্ৰকৃত সত্যৰ প্ৰতিফলন ঘটোৱা নহয়। এইসমূহ প্ৰদৰ্শন কৰোঁতে কেতিয়াবা এখন সমাজৰ প্ৰচলিত নিয়ম, ৰীতি-নীতি বা লোকাচাৰসমূহ পৰিশীলিত ৰূপত উপস্থাপন কৰিবলৈ চেষ্টা কৰা হয় যদিও সেয়া যথাযথ হৈ নুঠে[২]।

এই প্ৰতিবেদনৰ জৰিয়তে ১৯৬০-২০০৫ চনৰ সময়ছোৱাত জনপ্ৰিয় হিন্দী চলচ্চিত্ৰসমূহত মানসিক ৰোগ, মহিলা মানসিক ৰোগী আৰু এই ৰোগৰ চিকিৎসা কিদৰে উপস্থাপন কৰা হৈছে বা দৰ্শকৰ সন্মুখত কিদৰে প্ৰদৰ্শন কৰা হৈছে, তাকেই অন্বেষণ কৰাৰ প্ৰয়াস কৰা হৈছে। এই প-প্ৰত্ৰখনত মানসিক ৰোগ আৰু ইয়াৰ চিকিৎসাক বিশ্লেষণ কৰিবলৈ কিছু পুৰুষ মানসিক ৰোগীক কেন্দ্ৰ কৰি নিৰ্মাণ কৰা কিছু চলচ্চিত্ৰও আলোচনাৰ বাবে লোৱা হৈছে।

**উদ্দেশ্য ঃ**

এই গৱেষণা পত্ৰখনৰ উদ্দেশ্য হৈছে যে ১৯৬০-২০০৫ চনৰ ভিতৰত মুক্তি পোৱা জনপ্ৰিয় হিন্দী চলচ্চিত্ৰসমূহত কি দৰে মহিলা মানসিক ৰোগীসমূহক উপস্থাপন কৰা হৈছে তাকেই বিশ্লেষণ কৰা।

গৱেষণাপত্ৰখনৰ আন এক উদ্দেশ্য হৈছে এই চলচ্চিত্ৰসমূহক মানসিক ৰোগীৰ লগতে মানসিক ৰোগ আৰু ইয়াৰ চিকিৎসা পদ্ধতিক কি দৰে চিত্ৰায়ণ কৰা হৈছে তাক সমালোচনামূলকভাৱে বিশ্লেষণ কৰা।

**প্ৰয়োজনীয়তা ঃ**

কোনো এক বিষয়বস্তুৰ ওপৰত কোনো এক ধাৰণা অনুধাৱন কৰাত চলচ্চিত্ৰসমূহৰ এক বিশেষ অৱদান আছে। মানসিক ৰোগীৰ ওপৰত ভাৰতীয় সমাজৰ মনোভাব গঠন কৰাত হিন্দী চলচ্চিত্ৰসমূহত চিত্ৰায়িত হোৱা মানসিক ৰোগৰ চৰিত্ৰসমূহে প্ৰভাৱ পেলায়। এই অধ্যয়নৰদ্বাৰা হিন্দী বোলছবিসমূহত উপস্থাপন কৰা মানসিক ৰোগীৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰি মানসিক ৰোগ আৰু বিশেষকৈ মহিলা মানসিক ৰোগীৰ ওপৰত থকা ভাৰতীয় সমাজখনৰ সামাজিক আৰু সাংস্কৃতিক মূল্যবোধ নিৰ্ণয় কৰাত সহায়ক হ'ব। তাৰোপৰি এই অধ্যয়নৰ দ্বাৰা চলচ্চিত্ৰসমূহত উপস্থাপিত মহিলা মানসিক ৰোগীৰ ওপৰত থকা সামাজিক বৈষমতা আৰু অস্পৃশ্যতাক বুজিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ জৰিয়তে চলচিত্ৰ সমূহত প্ৰকাশ কৰা মানসিক ৰোগ আৰু ইয়াৰ চিকিৎসা পদ্ধতিৰ মিথক আৰু ভুলধাৰণা সমূহ চিনাক্ত কৰণ কৰি এই বিষয়সমূহৰ ওপৰত সমাজত এক শুদ্ধ ধাৰণা বিকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

হিন্দী চলচ্চিত্ৰ সমুহত মানসিক ৰোগ আৰু ৰোগীৰ শুদ্ধ উপস্থাপন হোৱাটো অতি প্ৰয়োজনীয়। এই শুদ্ধ উপস্থাপনৰ যোগেদি সমাজত মানসিক ৰোগীৰ প্ৰতি ধাৰণা আৰু ইয়াৰ লগত জড়িত সামাজিক নীতি নিয়মসমূহৰ এক ইতিবাচক পৰিৱৰ্তন হোৱাত সহায়ক হ'ব।

**পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

ডিনেশ ভুগ্ৰা (Dinesh Bhugra) ৰ দ্বাৰা ৰচিত "Mad Tales from Bollywood: the Impact of Social, Political, and Economic Climate on the Portrayal of Mental Illness in Hindi Films" নামৰ পুথিখনত হিন্দী চলচ্চিত্ৰ সমূহত কি দৰে মানসিক ৰোগক চিত্ৰায়ণ কৰা হৈছে সেয়া বিশদভাৱে আলোচনা কৰা

হৈছে। এই পুথিত ভাৰতীয় সমাজখনত মানসিক ৰোগৰ প্ৰতি থকা ধাৰণা আৰু মনোভাৱ আৰু এই সমূহ কি দৰে চলচ্চিত্ৰসমূহত প্ৰতিফলিত হৈছে তাক বিশ্লেষণ কৰা হৈছে[৩]। "Movies and Matters of Mind -Portrayal of psychiatric illness in Bollywood over last two decades: A content analyses" ত বলিউদ চলচ্চিত্ৰসমূহত চিত্ৰায়ন কৰা মানসিক ৰোগীৰ চৰিত্ৰ সমূহৰ গাঁঠনি, মানসিক ৰোগৰ লক্ষণ আৰু চিকিৎসা পদ্ধতি মূল্যায়ন কৰা হৈছে। গৱেষণা পত্ৰখনৰ সন্ধানৰপৰা সূচিত হৈছে যে এই হিন্দী চলচ্চিত্ৰসমূহত মানসিক ৰোগৰ লক্ষণ আৰু চিকিৎসা মনোৰঞ্জনৰ খাতিৰত নাটকীয়ভাৱে উপস্থাপন কৰা হৈছে[৪]।

"Bollywood Cinema and Mental Illness: An Approach to Balance Entertainment and Exactness" ত লিখিছে যে কিছুমান বলিউদ চিনেমা যেনে— তাৰে জমিন পৰ, মাই নেম ইজ খান আৰু বৰফি আদিবোৰত যদিও মানসিক ৰোগীৰ লক্ষণসমূহ মনোবিজ্ঞানীসকলে নিৰ্ধাৰণ কৰা ধৰণেৰে দেখুওৱা হৈছে; কিন্তু ৰোগীৰ চিকিৎসাৰ ওপৰত নিৰ্মাতাসকলে কোনো গুৰুত্ব প্ৰদান কৰা নাই। তাৰ বিপৰীতে চৰিত্ৰ সমূহক এক নাটকীয় ৰূপ দি এক সংবেদনশীল দৃশ্যপটৰহে সৃষ্টি কৰিছে[৫]।

ৰাকাৰে কৈছে যে চলচ্চিত্ৰসমূহত কুৰি শতিকাৰ পৰাই মহিলাৰ ওপৰত পুৰুষৰ আধিপত্য দেখা যায়। মহিলাৰ চৰিত্ৰসমূহে সদায় নীৰৱ বা অস্পষ্ট ভূমিকা পালন কৰে। মানসিক ৰোগক কেন্দ্ৰ কৰি বনোৱা চিনেমাসমূহতো মহিলাক ৰোগী বা চিকিৎসক এই দুই ক্ষেত্ৰতে এক সম্পূৰ্ণ ভিন্ন ভূমিকা পালন কৰা দেখা যায়। চিকিৎসক বা শুশ্ৰূষাকাৰী হিচাপেও মহিলাক এক ৰোমাণ্টিক, দুৰ্বল আৰু প্ৰেমাস্পদৰদ্বাৰা ৰোগীক ভাল কৰা আদি চৰিত্ৰসমূহতহে চিত্ৰায়ণ কৰা হয়। যি সম্পূৰ্ণ অপ্ৰমাণিত আৰু মিথক ধাৰণাৰ ভিত্তিত প্ৰতিষ্ঠাপিত[৬]।

**মানসিক ৰোগ আৰু চিকিৎসা ঃ**

পশ্চিমীয়া দেশসমূহৰ লগতে ভাৰতবৰ্ষত মানসিক ৰোগৰ চিকিৎসা পূৰ্বতে পৰম্পৰাগতভাৱে কৰা হৈছিল। মানসিক ৰোগক ভূত-প্ৰেত বা বেয়া শক্তিৰ প্ৰকোপৰ পৰা হোৱা ৰোগ বুলি ধাৰণা কৰা হৈছিল আৰু তাৰ চিকিৎসা তেনেধৰণৰ নিৰাময়কাৰীৰদ্বাৰা কৰোৱা হৈছিল[৭]।

ওঠৰ শতিকাৰ পৰা ঊনৈশ শতিকাৰ মাজ ভাগত বিভিন্ন ধৰণৰ মানসিক ৰোগৰ চিকিৎসা প্ৰতিষ্ঠান (এচাইলাম) ব্ৰিটিছ চৰকাৰে তেওঁলোকৰ আৰ্হিৰে ভাৰতৰ বিভিন্ন স্থানত যেনে— বম্বে, কলকাতা, বিহাৰ আৰু লগতে অসমৰ তেজপুৰতো "তেজপুৰ লুনেটিক এচাইলাম" (১৮৭৬) হিচাপে স্থাপন কৰে। কুৰি শতিকাৰ প্ৰথম ভাগত ১৯০৬ চনত লাহোৰ, ৰাচী আৰু পুনেতো মানসিক ৰোগৰ ডাঙৰ চিকিৎসালয় স্থাপন কৰা হ য়। সেই সময়ত পৰম্পৰাগত চিকিৎসাসমূহ পুৰণি আৰু অলাগতিয়াল বুলি ভবা হৈছিল। তাৰ ঠাইত এই চিকিৎসালয় সমূহত ঠাই পাইছিল পশ্চিমীয়া চিকিৎসকে দিয়া বিভিন্ন চিকিৎসা যেনে— হেম্প থেৰাপি, মেছমেৰিজিম, মৰ্ফি আদিবোৰে[৮]। কুৰি শতিকাৰ প্ৰথম ভাগত মানসিক ৰোগৰ চিকিৎসসকলে নিউৰ'লজি আৰু পেথ'লজিৰ সহায়ত বিশেষ চিকিৎসা পদ্ধতিৰ উদ্ভাৱন কৰিলে। তাৰ ভিতৰত বিশেষ হৈছে ইলেকট্ৰিক চ'ক আৰু চাইক'ছাৰ্জাৰি। পাছত এই চিকিৎসাসমূহ ৰোগীৰ বাবে অতিশয় ক্ষতিকাৰক বুলি প্ৰমাণিত হ'ল।

১৯৪০-১৯৬০ চনৰ ভিতৰত চাইক'ফাৰ্মেক'লজিয়ে মানসিক ৰোগীৰ চিকিৎসাৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। পেনিচিলিন, ক্লৰপ্ৰমেজাইন, থিয়'জন আদি ঔষধসমূহ ৰোগীৰ চিকিৎসাত ব্যৱহাৰ কৰা হ'ল।





১৯৫২ চনত মনোৰোগ বিশেষজ্ঞসকলে Diagnostic Statistical Manual (DSM) নামৰ এখন প্ৰসংগ পুথি প্ৰকাশ কৰিলে। য'ত মানসিক ৰোগসমূহৰ বিভিন্ন লক্ষণ অনুযায়ী শ্ৰেণী বিভাজন কৰা হ'ল[৯]। আমেৰিকান চাইক্ৰিয়েতিক এছোচিয়েচনে সময়ে সময়ে ক্ৰমান্বয়ে DSM II (১৯৬৮), DSM III (১৯৮০), DSM IV (১৯৯৪), DSM V (২০১৩), DSM-V-TR (২০২২) নাম দি মেনুৱেলখন সংশোধন কৰি আহিছে। DSM-V-TR খনত মানসিক ৰোগক লক্ষণ অনুযায়ী ৭০ টা ভাগত শ্ৰেণী বিভাজন কৰা হৈছে। এই শ্ৰেণী অনুযায়ি তাৰ চিকিৎসা পদ্ধতিও বেলেগ বেলেগ আৰু এই ধৰণৰে চিকিৎসালয়সমূহত চিকিৎসা প্ৰদান কৰা হয়। হিন্দী চলচ্চিত্ৰসমূহত সময়ে সময়ে মানসিক ৰোগ আৰু ইয়াৰ চিকিৎসাক উপস্থাপন কৰোঁতে কিমান বৈজ্ঞানিক দৃষ্টিভংগীৰ ব্যৱহাৰ কৰা হয় সেয়া বিচাৰ্যৰ বিষয়।

**চলচ্চিত্ৰ আৰু মানসিক ৰোগ ঃ**

কুৰি শতিকাত দূৰদৰ্শন আৰু চলচ্চিত্ৰসমূহ অতি জনপ্ৰিয় হৈ পৰিছিল। সেই সময়তে হলিউডৰ কিছুমান চলচ্চিত্ৰ যেনে—চায়ক' (১৯৬০), হল'উইন (১৯৭৮), দ্য এক্সৰিষ্ট (১৯৭৩) আদি চলচ্চিত্ৰসমূহে মানসিক ৰোগক এক বিকৃত ৰূপত প্ৰকাশ কৰি দৰ্শকৰ মাজত ত্ৰাস সৃষ্টি কৰিছিল। এণ্ডাৰচনৰ মতে মানসিক ৰোগক এনেধৰণৰ ভয়ংকৰ ৰূপত প্ৰকাশ কৰি ছবি নিৰ্মাতাসকলে এই চলচ্চিত্ৰসমূহৰ 'চেনচেচনেল ছেল' কৰোৱাতহে বেছি গুৰুত্ব দিছিল, সমাজক প্ৰভাৱিত কৰিব পৰা বিৰূপ প্ৰতিক্ৰিয়াৰ বিষয়টো গৌণ কৰি ৰাখিছিল। এই শিহৰণকাৰী চিনেমাসমূহত স্কিজ'ফ্ৰেনিয়া নামৰ ৰোগবিধক এক দানৱীয় আৰু হিংস্ৰ ৰূপত প্ৰদৰ্শন কৰিছে[৯]। স্বামীনাথ আৰু বিদেৰ মতে চলচ্চিত্ৰসমূহত কিছুমান সংঘাতপূৰ্ণ আৰু নাটকীয় দৃশ্যৰদ্বাৰা দৰ্শকৰ মনোযোগ ধৰি ৰাখিব পৰা যায় আৰু মানসিক ৰোগ হৈছে আটাইতকৈ মনোগ্ৰাহী বিষয়বস্তু যাৰ দ্বাৰা মানুহৰ ব্যক্তিত্বৰ অস্বাভাৱিক দিশবোৰ যেনে— কৌতুক, সন্দেহ, হিংসা, গোপন ৰহস্য আদি বিষয়সমূহ গতানুগতিকভাৱে প্ৰকাশ কৰা দেখুৱায়[১০]। ৱালৰ মতে চলচ্চিত্ৰসমূহত সমূহীয়া মনোৰঞ্জনৰ স্বাৰ্থত মানসিক ৰোগক শিহৰণকাৰী দৃশ্য আৰু কৌতুক অভিনয়সমূহত ব্যৱহাৰ কৰে। ভাৰতবৰ্ষৰ চলচ্চিত্ৰসমূহতো কোনো এক ব্যক্তিৰ মনোভাব আৰু সাৰ্বজনীক প্ৰভাৱ স্পষ্টভাৱে পৰে[১১]। মুম্বাইৰ চিনেমা উদ্যোগ বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ আৰু দৈনিক প্ৰায় ১৫ মিলিয়ন দৰ্শকে ইয়াক উপভোগ কৰে।

**নাৰীবাদ আৰু মানসিক ৰোগ ঃ**

নাৰীবাদী বিশ্লেষকসকলে মহিলাৰ মানসিক ৰোগ আৰু ৰোগীসমূহক কি দৰে চলচ্চিত্ৰ সমূহত বিভিন্ন সময়ত উপস্থাপন কৰি আহিছে, সেই বিষয়ে বিশদভাৱে বিশ্লেষণ কৰিছে। 'Elaine Showalter' এ তেওঁৰ 'Female Malady'নামক গ্ৰন্থখনত উল্লেখ কৰিছে য়ে 'নাৰী সত্তা' আৰু 'পাগলামী' এই দুইটা ধাৰণাই সমাজ আৰু সংস্কৃতিৰ দ্বাৰা নিৰ্মিত। এই গ্ৰন্থখনত তেওঁ উল্লেখ কৰিছে যে পশ্চিমীয় চলচ্চিত্ৰ বা উপন্যাসসমূহত মহিলাৰ মানসিক ৰোগক নাৰী সত্তাৰ স্বাভাৱিকতাৰ লগত সাদৃশ্য ৰাখি উপস্থাপন কৰা হৈছে। উদাহৰণস্বৰূপে 'হিষ্টেৰিয়া ৰোগক' এক মহিলাৰ ৰোগ হিচাপে উপস্থাপন কৰিছে, যি মহিলাৰ গৰ্ভ আৰু যৌনতাৰ লগত জড়িত[১২]। কুৰি শতিকাৰ প্ৰায়বোৰ চিনেমাই Frued অ ৰ 'হিষ্টেৰিয়া'ৰ ধাৰণাৰ আলমত তৈয়াৰ কৰা হৈছিল। Mary Jacobus অৰ মতে Fued ৰ 'হিষ্টেৰিয়া'ৰ ধাৰণটোক একেবাৰে অব্যৱহাৰিক আৰু অস্বাভাৱিক। তেওঁৰ মতে এই ধাৰণাই সদায়ে এক 'পুৰুষবাদী মনোবিশ্লেষক

তত্ত্ব'ক প্ৰতিফলিত কৰিছে, যিয়ে মহিলাৰ শৰীৰৰ লগত উন্মাদনাক একাকাৰ কৰিবলৈ চেষ্টা চলাইছে[১৩]। Showalter অৰ মতেও নাৰীসত্তা আৰু উন্মাদনা দুইকে একাকাৰ ৰূপত প্ৰকাশ কৰি চলচিত্ৰ সমুহত এক বিশেষ ৰোমাঞ্চৰ সৃষ্টি কৰা হয়[১২]। ইতিহাসত মহিলাৰ মানসিক ৰোগৰ কাৰণ সদায় অতি প্ৰাকৃতিক বা কোনোধৰণৰ বিশেষ বাহিৰা শক্তি বা ৰাক্ষসে শৰীৰত প্ৰৱেশ কৰি মহিলাগৰাকীক গ্ৰাস কৰাৰ ফলতেই মহিলাগৰাকী মানসিক ৰোগগ্ৰস্ত হয় বুলি ধৰি লোৱা হৈছিল। ইয়াৰ কাৰণ মহিলাসকল মানসিক আৰু শাৰীৰিকভাৱে অতি দুৰ্বল যাৰ ফলত বাহিৰা শক্তিয়ে মহিলাক অতি সহজে প্ৰভাৱিত কৰিব পাৰে বুলি ধৰি লোৱা হৈছিল আৰু এই ধৰণৰ বিষয়বস্তুসমূহ হিন্দী বা পশ্চিমীয়া চলচ্চিত্ৰসমূহত সতকাই প্ৰকাশ পোৱা দেখা যায়[১৪]। ভাৰতীয় চিনেমা সমুহতো মহিলাৰ শৰীৰক সদায় মনতকৈ অধিক গুৰুত্ব প্ৰদান কৰা হয়। এই চিনেমাসমূহত এগৰাকী জ্ঞানী বুদ্ধিমান মহিলা আৰু শাৰীৰিকভাৱে আকৰ্ষণীয় মহিলা, আনহাতে শাৰীৰিক ভাৱে কুৰূপ মহিলাক মানসিকভাৱেও দুৰ্বল বা অসুস্থ হিচাপে প্ৰদৰ্শন কৰা হয়[১৫]।

**হিন্দী চলচ্চিত্ৰ আৰু মহিলা মানসিক ৰোগী ঃ**

মানসিক ৰোগ আৰু ৰোগীৰ প্ৰতি থকা ধাৰণা গাঢ় কৰাত হিন্দী বোলছবিসমূহৰ বিশেষ ভূমিকা আছে। ৱাকাৰৰ (Walker) মতে মানসিক ৰোগসমূহৰ এনেধৰণৰ বিকৃত প্ৰদৰ্শনে সমাজক ভুলপথে পৰিচালিত কৰিছে। উদাহৰণস্বৰূপে প্ৰেম আৰু সহানুভূতিৰে মানসিক ৰোগ সুস্থ কৰিব পাৰি[৬]। 'খামুচি' (১৯৬৯) এখন অতি জনপ্ৰিয় হিন্দী বোলছবি। এই চিনেমাখনৰ মুখ্য নায়কজন হৈছে এজন মানসিক ৰোগী। তেওঁ একিউট মেনিয়া (Acute Mania) নামৰ এক মানসিক ৰোগত আক্ৰান্ত আৰু হস্পিতালৰ এগৰাকী নাৰ্ছ ৰাধাক হস্পিতাল কৰ্তৃপক্ষই তেওঁৰ শুশ্ৰূষাৰ দায়িত্ব দিয়ে। নাৰ্ছ ৰাধাক এগৰাকী অতি মৰমিয়াল আৰু মাতৃসুলভ হিচাপে প্ৰদৰ্শন কৰা হৈছে। তেওঁৰ মৰম আৰু আদৰৰ চিকিৎসাৰে অৱশেষত মানসিক ৰোগীজন সুস্থ হৈ উঠে। এই 'প্ৰেম আৱেদনমূলক চিকিৎসা'ৰ সময়তে ৰাধা প্ৰকৃত অৰ্থতে ৰোগীজনৰ প্ৰেমত পৰে; কিন্তু ৰোগীজন সুস্থ হৈ উঠাৰ পাছত ৰাধাক একেবাৰেই পাহৰি যায়। অৱশেষত ৰাধা নিজেই এগৰাকী মানসিক ৰোগীত পৰিণত হয়।

এলাইন শ্বলটাৰে (Elaine Showalter) অভিমত ব্যক্ত কৰিছে যে পশ্চিমৰ অনেক চিনেমাত এনে বহু দৃশ্য দেখিবলৈ পোৱা যায় য'ত বহু পুৰুষ মানসিক ৰোগীক মহিলা চিকিৎসক বা নাৰ্ছে প্ৰেমভাৱে শুশ্ৰূষা কৰোতে ৰোগীৰ লক্ষণসমূহ আহৰণ কৰে। ইয়াৰ জৰিয়তে প্ৰত্যক্ষভাৱে মহিলাৰ ওপৰত পুৰুষৰ আধিপত্যকে প্ৰদৰ্শন কৰা হৈছে[১২]। 'খামুচি' চিনেমাখনতো পশ্চিমীয়া চিনেমাৰ দৰেই মানসিক ৰোগৰ চিকিৎসা ভুলকৈ প্ৰদৰ্শন কৰা হৈছে। ইয়াত নাৰীৰ প্ৰতি থকা সমাজৰ বদ্ধমূল ধাৰণা যেনে—নাৰী অবলা, নাৰী দুৰ্বলা, নাৰীয়ে কেৱল প্ৰেমিকা বা মাতৃৰ ভূমিকাহে পালন কৰিব পাৰে আদি ধাৰণাবোৰহে প্ৰকাশ পাইছে। তদুপৰি, মানসিক ৰোগ সংক্ৰামক, মানসিক ৰোগৰ চিকিৎসালয়ত মনোৰোগ বিশেষজ্ঞৰ ভূমিকা গৌণ, মুখ্য ভূমিকা নাৰ্ছৰহে—এনে ভ্ৰান্ত ধাৰণাসমূহহে স্পষ্টৰূপত প্ৰতিফলিত হৈছে। 'খিল'না' (১৯৬৯) অন্য এখন একে ধৰণৰ বিষয়বস্তুৰে নিৰ্মিত চিনেমা। এই চিনেমাখনত নায়ক বিজয় এজন উচ্চ বংশৰ ধনী পিতৃৰ সন্তান আৰু তেওঁ অতি উগ্ৰ স্বভাৱৰ মানসিক ৰোগী। আনহাতে নায়িকা চান্দ এগৰাকী সুন্দৰী বেশ্যা। বিজয়ৰ পিতৃয়ে চান্দৰ আকৰ্ষণীয় ৰূপলাৱণ্যৰ বাবেই পত্নীসুলভ আচৰণেৰে বিজয়ক সুস্থ কৰাৰ উদ্দেশ্যে চান্দক নিয়োগ কৰিছিল। কাৰণ নায়ক বিজয়ৰ মানসিক ৰোগৰ মূল কাৰণ আছিল তেওঁৰ প্ৰেমিকাই





আনৰ লগত বিয়া হ'বলগা হোৱাত বিজয়ৰ সন্মুখতে আত্মহত্যা কৰিছিল। প্ৰথম অৱস্থাত চান্দই বিজয়ৰ কাষলৈ যাবলৈ ভয় কৰিছিল। কাৰণ শুশ্ৰূষাৰ সময়ত চান্দ বিজয়ৰ উন্মাদনাৰ বলি হৈছিল। চান্দক বিজয়ে ধৰ্ষণ কৰিছিল আৰু পৰিণতিত চান্দ গৰ্ভৱতী হৈছিল। কিন্তু এই কৰ্মৰ বিৰোধ কৰাৰ বিপৰীতে চান্দ বিজয়ৰ প্ৰেমপাশত আবদ্ধ হৈছিল। পৰিয়ালৰ আন সদস্যসকলে এই কাৰ্যৰ বাবে চান্দকে দোষাৰোপ কৰিছিল। কিন্তু চান্দে সকলো পাহৰি বিজয়ৰ শুশ্ৰূষাতে আত্মনিয়োগ কৰিছিল আৰু এদিন বিজয় সুস্থ হৈ উঠিছিল। পিছত বিজয়ৰ পৰিয়ালে জানিব পাৰিলে যে চান্দো এগৰাকী উচ্চ বংশৰে ছোৱালী আৰু তেতিয়া তেওঁলোকে চান্দক বিজয়ৰ পত্নী হিচাপে স্বীকৃতি দিছিল। চাবলৈ গ'লে এই বোলছবিখনতো মানসিক ৰোগ, ৰোগী, শুশ্ৰূষা পদ্ধতি আৰু নাৰীৰ স্বকীয় সত্তাক নেতিবাচক দৃষ্টিভংগীৰে উপস্থাপন কৰা হৈছে। যিটোৱে একাংশ সচেতন দৰ্শকৰ মনত বিৰূপ প্ৰভাৱ পেলাব পাৰে। মানসিক ৰোগীক চলচ্চিত্ৰখনত হিংস্ৰ ৰূপত উপস্থাপন কৰা হৈছে। তদুপৰি ধৰ্ষণকাৰী মানসিক ৰোগীজনক স্বামী হিচাপে বৰণ কৰাটোৱে নাৰীৰ দুৰ্বলতাকে প্ৰকাশ কৰিছে। সাধাৰণতে আমাৰ সমাজত এনে ধৰণৰ ধৰ্ষণৰ ঘটনা অনেক সংঘটিত হৈ থাকে আৰু ধৰ্ষিতাগৰাকীয়ে ধৰ্ষণকাৰীৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰাটোৱে তেওঁৰ প্ৰতি ন্যায় প্ৰদান কৰা বুলি পুৰুষপ্ৰধান সমাজ এখনে ধৰি লয়। এই ক্ষেত্ৰত মহিলাগৰাকীৰ মানসিক অৱস্থাক উপেক্ষা কৰি ধৰ্ষণকাৰীৰ লগত বিয়াত বহা আৰু তেওঁৰ সন্তান জন্ম দিয়া ধৰণৰ ঘটনাৰ উপস্থাপনে সমাজত নাৰীৰ ওপৰত হোৱা অত্যাচাৰক উদগনি দিয়াকে সূচাইছে। নাৰীৰ যৌনতাক অতিৰঞ্জিতভাৱে উপস্থাপন কৰাৰ বিপৰীতে এই চিনেমাখনত এজন পুৰুষৰ 'পৌৰষত্ব' আৰু 'পাগলামি'ক একাকাৰ কৰি দুয়োটা দিশকে স্বাভাৱিকতা প্ৰদান কৰিছে। ১৯৯০ চনৰ পিছৰ চিনেমাসমূহ যেনে—'বাজিগৰ' (১৯৯৩), 'ডৰ' (১৯৯৩), 'একেএছ' (১৯৯৫) আদিত মানসিক ৰোগীক অলৌকিকভাৱে ৰূপায়ণ কৰি জনসমাজত ভয়, ত্ৰাস, শিহৰণ, ৰোমাঞ্চৰ সৃষ্টি কৰিছে। এই আটাইকেইখন চিনেমতে নায়ককেইজন মানসিকভাৱে বিকৃত আৰু তেওঁলোকৰ ভীতি প্ৰদৰ্শন কৰাৰ কিছুমান বিশেষ লক্ষণ উপস্থাপন কৰা হৈছে। তেওঁলোকে নিজৰ আকাংক্ষা পূৰাবলৈ নৰঘাতকো হ'ব পাৰে। 'আগ্নিসাক্ষী' (১৯৯৬) আন এখন চাইক' থ্ৰিলাৰ বিষয়ক চলচ্চিত্ৰ, য'ত নায়ক এজন চাইক'চিছ। এইখন চিনেমাত নায়কজন অপৰাধ মনোবৃত্তিৰ আৰু নিজৰ পত্নীক শাস্তি প্ৰদান কৰাই তেওঁৰ প্ৰধান কাম। 'দস্তক' (১৯৯৬) সেই সময়ৰ এখন জনপ্ৰিয় চিনেমা, য'ত নায়ক মানসিক বিকাৰগ্ৰস্ত এজন পুৰুষ আৰু তেওঁৰ প্ৰেমিকাৰ প্ৰতি থকা সন্দেহৰ বাবেই বহু অপৰাধ আৰু অনাকাংক্ষিত হত্যাকাণ্ডও সংঘটিত কৰে। এই আটাইকেইখন চিনেমাতে মানসিক ৰোগীকেইজন পুৰুষ চৰিত্ৰৰ আৰু তেওঁলোক অতি প্ৰতিশোধপৰায়ণ, সন্দেহবাদী, নিষ্ঠুৰ আৰু হত্যাকাৰী। এইসমূহ চিনেমাত পৌৰষত্ব, উন্মাদনা, নিষ্ঠুৰতা আৰু অপৰাধপ্ৰৱণতাৰে উপস্থাপন কৰি এখন পুৰুষপ্ৰধান সমাজতে পুৰুষৰ 'টকচিক মেস্কুলিনিটি'ক উদগনি যোগোৱা হৈছে। প্ৰায় একে সময়তে হিন্দী চিনেমাসমূহত মহিলাকো চাইক'পেথ বা চাইক'কীলাৰ হিচাপে উপস্থাপন কৰা দেখুওৱা হৈছে। 'আইনা' (১৯৯৩) চিনেমাখনত নায়িকা ৰুমাক এগৰাকী অপৰাধী মনোবৃত্তিৰ উগ্ৰ, হিংসুক, চাইক'টিক মহিলা হিচাপে ৰূপায়ণ কৰাৰ বিপৰীতে ৰীমাক এগৰাকী বিনয়ী, সহনশীল মহিলা হিচাপে উপস্থাপন কৰা হৈছে। নষ্ট চৰিত্ৰৰ ৰুমাই নিজৰ স্বামীক এৰি থৈ যোৱাৰ পাছত ৰুমাৰ ভনীয়েক ৰীমাক বিয়া কৰায়। কিন্তু ৰুমা ঘূৰি আহি এই বিবাহৰ বাবে ভাবুকিস্বৰূপ হৈ পৰে। 'গুপ্ত' (১৯৯৭) আন এখন একে ধৰণৰ চিনেমা য'ত নায়িকা ঈশ্বাক মানসিকভাৱে অস্থিৰ, হিংসুক, আঁকোৰগোজ মনোভাবৰ লগতে নীৰৱ ঘাতক আৰু 'আধুনিক' মহিলা হিচাপে ৰূপায়ণ কৰিছে।

একেখন চিনেমাতে আন এগৰাকী নায়িকা শীতলক স্বভাৱগতভাৱেই এগৰাকী শান্ত, অমায়িক আৰু সংস্কাৰী মহিলা হিচাপে প্ৰদৰ্শন কৰিছে। 'প্যাৰ তুনে ক্যা কিয়া' (১৯৯৪) শীৰ্ষক চিনেমাখনত ৰিয়া এগৰাকী উদণ্ড, যৌন আবেদনময়ী, সন্দেহবাদী আৰু লগতে আধুনিক মনৰ, যি পেছাত এগৰাকী মডেল। ইয়াত ৰিয়াক তেওঁৰ বিবাহিত ফটোগ্ৰাফাৰজনৰ প্ৰেমত উদ্বাউল হৈ মানসিক বিকাৰগ্ৰস্ততাত ভোগা দেখুওৱা হৈছে। আনহাতে ফটোগ্ৰাফাৰজনৰ পত্নী গীতা এগৰাকী সহজ সৰল নাৰীগুণসম্পন্না মহিলা আৰু তেওঁ নিজৰ সাংসাৰিক জীৱনত সুখী। এই আটাইকেইখন চিনেমাতে আজ্ঞানুৱৰ্তী, সহনশীল আৰু ভাৰতীয় সংস্কাৰী মহিলাকেইগৰাকী হৈছে স্বাভাৱিক অৱস্থাৰ অৰ্থাৎ সুস্থিৰ মগজুৰ আৰু দেৱদূত সদৃশ। এই নাৰী চৰিত্ৰসমূহে নিজৰ স্বামী বা প্ৰেমিকৰ সান্নিধ্য পাবলৈ সক্ষম হোৱাটো প্ৰদৰ্শন কৰা হৈছে। বিপৰীতে যিসকলক উগ্ৰ, উদণ্ড, সম্পূৰ্ণ আধুনিক আৰু পেছাদাৰী, তেনেধৰণৰ চৰিত্ৰবোৰক মানসিকভাৱে বিকাৰগ্ৰস্ত হোৱাৰ লগতে এগৰাকী ভাল প্ৰেমিকা বা পত্নী হোৱাৰ অযোগ্য হিচাপে উপস্থাপন কৰা হৈছে। এইকেইখন চিনেমাত প্ৰগতিশীল, উচ্চাকাংক্ষী আৰু বহিৰ্মুখী মহিলাক চাইক'টিক হিচাপে দেখুওৱা হৈছে। সেইদৰে স্বামীভক্তিপৰায়ণ, অন্তৰ্মুখী মহিলাসকলক দেৱদূত হিচাপে প্ৰদৰ্শন কৰোৱা হৈছে যিয়ে সমাজত আদৰ বুটলিবলৈ সক্ষম হৈছে।

**হিন্দী চলচ্চিত্ৰ, মানসিক ৰোগ আৰু ইয়াৰ চিকিৎসা ঃ**

ওপৰোক্ত আটাইকেইখন চিনেমাতে মানসিক ৰোগীৰ প্ৰতি থকা মিথিকেল ধাৰণাসমূহো দৃঢ় ভাৱে প্ৰতিপন্ন কৰিছে। মনোৰোগ বিজ্ঞানৰ হাতপুথি—'Diognastic and Statistical Menual of Mental Disorders', (DSM I, DSM II, DSM III, DSM IV, DSM V, DSM-V-TR) আদি পাঠবোৰত মানসিক ৰোগসমূহক ইয়াৰ লক্ষণ অনুযায়ী বিভিন্ন ভাগত ভাগ কৰা হৈছে আৰু ইয়াৰ চিকিৎসাও সেইদৰে ভাগ কৰি থোৱা আছে; কিন্তু এই চিনেমাবোৰত এই ৰোগ আৰু চিকিৎসাক একাকাৰ কৰি প্ৰদৰ্শন কৰা হৈছে অৰ্থাৎ স্কিজ'ফ্ৰেনিয়া, ডিপ্ৰেচন, পাৰ্ছনেলিটি ডিছঅৰ্দাৰ, একিউট মেনিয়া - এই সকলো ৰোগকে একে ধৰণৰ ৰোগ হিচাপেই প্ৰদৰ্শন কৰা হৈছে। যেনে — মানসিক ৰোগ মানেই 'বলিয়ালি', 'পাগলামি', 'উদণ্ডতা' আৰু 'বিকৃত পৌৰুষত্ব' বা 'বিকৃত নাৰীসত্তা' ইত্যাদি।

২০০৩ চনত মুক্তিলাভ কৰা 'তেৰে নাম' আৰু ২০০৫ চনত মুক্তিলাভ কৰা 'কিউকি' এই দুয়োখন চিনেমাই মানসিক ৰোগক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা হৈছিল। 'তেৰে নাম' চিনেমাখনত 'ৰাধে' চৰিত্ৰটোত এজন উচ্ছৃংখল আৰু শিষ্টাচাৰহীন যুৱক হিচাপে দেখুওৱা হৈছে। তেওঁ এগৰাকী উচ্চ জাতৰ ছোৱালী 'নিৰ্জৰা'ৰ পিছত ঘূৰি ফুৰে আৰু প্ৰেম নিবেদন কৰিব বিচাৰে। মন কৰিবলগীয়া যে ৰাধে চৰিত্ৰটো সেই সময়ত যুৱ দৰ্শকসকলৰ মাজত অতি জনপ্ৰিয় হৈ পৰিছিল। সেই সময়ত ল'ৰাবিলাকে ৰাধেৰ দৰে সাজ-পোছাক পৰিধান কৰাৰ উপৰি চুলিৰ ষ্টাইলো ৰাধেৰ দৰেই কৰি লৈছিল। ৰাধে অতি উদণ্ড আছিল আৰু য'তে ত'তে , যেতিয়াই তেতিয়াই কাজিয়াত লিপ্ত হৈছিল। এনে উদ্ভণ্ডালিৰ কাৰণে প্ৰথমে নিৰ্জৰাই বেয়া পাইছিল যদিও পিছত ৰাধেক প্ৰেমিক হিচাপে গ্ৰহণ কৰিছিল। এদিন ৰাধেক শত্ৰুৱে মূৰত আঘাত কৰাৰ ফলত তেওঁ মানসিকভাৱে অক্ষম হৈ পৰে। কেইবাদিনো মূৰ্চ্ছিত অৱস্থাত থকাৰ পিছত ৰাধে নিশ্চল হৈ পৰে ঠিক আগৰ স্বভাৱৰ বিপৰীত। ৰাধেক মনোৰোগ বিশেষজ্ঞ চিকিৎসকে সুস্থ কৰিব নোৱাৰি পৰিয়ালক এখন পৰম্পৰাগত মানসিক ৰোগৰ চিকিৎসা প্ৰতিষ্ঠান শিৱপুৰ ধামলৈ নিয়াৰ পৰামৰ্শ দিয়ে। আনহাতে শিৱপুৰ ধাম অতি দুৰ্গম ঠাইত অৱস্থিত আৰু চাৰিওকাষে ওখ দেৱাল থকা। ইয়াত মানসিক





ৰোগীক অতি নিষ্ঠুৰ পদ্ধতিৰে চিকিৎসা কৰা হয়। ৰাধেকো আন মানসিক ৰোগীৰ দৰেই হাত-ভৰি শিকলিৰে বান্ধি জে'লৰ কয়দীৰ দৰে অথবা হিংস্ৰ জন্তুৰ দৰে ৰখা হৈছিল। ৰাধে কেইবাবাৰো শিৱপুৰ ধামৰ পৰা পলাবলৈ চেষ্টা কৰি এবাৰ সফল হৈছিল; কিন্তু আহি দেখে যে তেওঁৰ প্ৰেমিকাই জোৰকৈ আনলৈ বিয়া দিয়াৰ চেষ্টা কৰা বাবে আত্মহত্যা কৰে। তাকে দেখি ৰাধে পুনৰ শিৱপুৰ ধামলৈ উভতি গ'ল। এই চিনেমাখনত আমাৰ সমাজত থকা কিছুমান তথাকথিত ধাৰণা যেনে—এজন ৰোডচাইড ৰোমিঅ'য়ো যে ছোৱালীৰ মন জয় কৰিব পাৰে, মানসিক ৰোগীক কিছুমান নিষ্ঠুৰ পদ্ধতিৰেহে নিয়ন্ত্ৰণ কৰিব পাৰে, পৰম্পৰাগত মানসিক ৰোগৰ চিকিৎসা যে অতি নিৰ্মম হয়, প্ৰেম সফল নহ'লে আত্মহত্যাৰ দৰে চূড়ান্ত সিদ্ধান্ত লোৱাটোকো বৈধতা প্ৰদান কৰাৰ দৰে দৃশ্য উপস্থাপন কৰি দৰ্শকক মনোৰঞ্জন দিয়াৰ প্ৰয়াস কৰা হৈছে। তদুপৰি চিকিৎসকৰদ্বাৰাই শিৱপুৰ ধামৰ দৰে পৰম্পৰাগত চিকিৎসা প্ৰতিষ্ঠানলৈ ৰাধেক পঠিয়াবলৈ কোৱা বিষয়টোৱে, আধুনিক চিকিৎসা বিজ্ঞানৰ বাবেই এক প্ৰত্যাহ্বান হিচাপেই চিনেমাখনত পৰিৱেশিত হৈছে। ইয়াৰ জৰিয়তে ব্যৱসায়িকভাৱে চিনেমাখনে সফলতা অৰ্জন কৰিছে ঠিকেই, কিন্তু যুৱ প্ৰজন্মক বৌদ্ধিক বা মানসিক দিশত কোনো ইতিবাচক প্ৰভাৱ পেলাব পৰা নাই। সেইদৰেই 'কিউকি' (২০০৫) একেধৰণৰ বিষয়বস্তুৰে নিৰ্মিত সেই সময়ৰ আন এখন জনপ্ৰিয় ছবি। এই চিনেমাখনৰ নায়ক 'আনন্দ'ক মানসিক চিকিৎসাৰ বাবে এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। আনন্দ চৰিত্ৰটো যথেষ্ট হাস্যৰসিক আৰু আন চলচ্চিত্ৰসমূহৰ মানসিক ৰোগীৰ তুলনাত কিছু পৃথকভাৱে দেখুওৱা হৈছে। প্ৰথম অৱস্থাত তেওঁক এজন মানসিক ৰোগী হিচাপে দৰ্শকৰ সন্মুখত উপস্থাপন কৰা নাছিল। চিকিৎসালয়খনৰ চিকিৎসক, নাৰ্ছ, নিৰাপত্তাৰক্ষী আৰু আন কৰ্মচাৰীসকলেও আনন্দক দুৰ্ব্যৱহাৰ কৰিছিল আৰু অলপমান হেৰফেৰ হ'লেই শাৰীৰিকভাৱে অত্যাচাৰ কৰিছিল। আনহাতে চিকিৎসালয়খনৰ স্বত্বাধিকাৰী ডাঃ খুৰানাও আছিল এজন গোৱাৰ আৰু নিষ্ঠুৰ প্ৰকৃতিৰ লোক। তেওঁৰ মতে মানসিক ৰোগীক নিষ্ঠুৰ ব্যৱহাৰ আৰু শাৰীৰিক নিৰ্যাতন কৰাটোৱেই উচিত চিকিৎসা। আনন্দকো তেওঁলোকৰ চিকিৎসালয়ৰ নীতি ভংগ কৰা কাৰ্যৰ বাবে কঠোৰ শাস্তি বিহিছিল। ডাঃ খুৰানাৰ কন্যা ডাঃ তনভিয়েও প্ৰথম অৱস্থাত আনন্দক অতি ৰুক্ষ ব্যৱহাৰ কৰিছিল। কিন্তু আন এজন চিকিৎসক ডাঃ সুনীলৰ বুজনিত ডাঃ তনভিয়ে আনন্দক মৰম আৰু সহানুভূতিৰে চিকিৎসা কৰি সুস্থ কৰাৰ চেষ্টা চলালে। পৰিণতিত ইয়াত উল্লেখ কৰা আন চিনেমাসমূহৰ দৰেই গতানুগতিকভাৱেই ডাঃ তনভি আনন্দৰ প্ৰেমত আবদ্ধ হ'ল। আনন্দ সুস্থ হৈ তনভিক বিয়া কৰাবলৈ সিদ্ধান্ত ল'লে। এই কথা ডাঃ খুৰানাই জানিব পাৰি খঙত অগ্নিশৰ্মা হৈ আনন্দক 'লব'ট'মি' কৰি নিষ্ক্ৰিয় কৰি পেলালে। 'লব'ট'মি' হৈছে মগজুৰ এক অস্ত্ৰোপচাৰ, য'ত মগজুৰ এডাল সিৰা কাটি পেলোৱা হয়। এই ধৰণৰ চিকিৎসা কুৰি শতিকাৰ মাজভাগত পশ্চিমীয়া দেশসমূহত প্ৰচলিত আছিল। এনে ধৰণৰ চিকিৎসা সাধাৰণতে গম্ভীৰ মানসিক ৰোগ যেনে—স্কিজ'ফ্ৰেনিয়া, বাইপ'লাৰ ডিছঅৰ্ডাৰ আদি ৰোগসমূহত ব্যৱহাৰ কৰে; কিন্তু ইয়াৰ পাৰ্শ্বক্ৰিয়া অতি ভয়ানক হোৱাৰ বাবে ১৯৫০ চনৰ পাছত সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হয়। কাৰণ এনে চিকিৎসাৰ ফলত ৰোগীৰ মৃত্যুপৰ্যন্ত হ'ব পাৰে। ডাঃ সুনীলে আনন্দৰ এনে মৃতপ্ৰায় অৱস্থা দেখি তেওঁক মুক্তি দিয়াৰ বাবে অৱশেষত হত্যা কৰে আৰু ডাঃ তনভিও মানসিক ৰোগগ্ৰস্ত হৈ উক্ত চিকিৎসালয়তে ভৰ্তি হয়। এই চিনেমাখনত মনোৰোগ চিকিৎসকসকলৰ ভূমিকা অতি ৰহস্যজনক। ইয়াৰ চিকিৎসা পদ্ধতিসমূহত ৰোগীক চিকিৎসা প্ৰদানৰ পৰিৱৰ্তে প্ৰতিশোধ পূৰণৰ বাবেহে ব্যৱহাৰ কৰা দেখা গৈছে। ইচিটি (Electro Convulsive Therapy) হৈছে মানসিক ৰোগ নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱহাৰ কৰা Electric Shock Therapy।

এই পদ্ধতিৰ চিকিৎসাৰ পাৰ্শ্বক্ৰিয়াও অতিমাত্ৰা হোৱা বাবে এই চিকিৎসা বৰ্তমান প্ৰচলিত নহয়। বহুতে ইয়াক সহ্য কৰিবও নোৱাৰে। কিছুমান ৰোগ যেনে— মেজৰ ডিপ্ৰেছিভ ডিছঅৰ্ডাৰ, ছিভিয়াৰ মেনিয়া, কেটাটনিয়া আদি ৰোগত এনে পদ্ধতি ব্যৱহাৰ কৰা হয়। এইবোৰ ৰোগৰ লক্ষণৰ লগত মিল নথকা সত্ত্বেও আনন্দক কেইবাবাৰো ইচিটি দিয়া হৈছিল। উদ্দেশ্য আনন্দক সুস্থ কৰা নহয়, শাস্তি দিয়াহে। এনে ধৰণেৰে এই হিন্দী চলচ্চিত্ৰ সমূহত মানসিক ৰোগী, মানসিক ৰোগৰ চিকিৎসক আৰু চিকিৎসা পদ্ধতিসমূহক বিকৃতৰূপে চিত্ৰায়িত কৰি জনসাধাৰণক ভুল দিশে পৰিচালিত কৰাৰ উপৰি জনসাধাৰণৰ মাজত মানসিক ৰোগী আৰু ইয়াৰ চিকিৎসাৰ পদ্ধতিৰ ওপৰত ঘৃণাৰ ভাব গঢ়ি তুলিছে।

**উপসংহাৰ ঃ**

১৯৬০-২০০৫ চনৰ ভিতৰত নিৰ্মিত উল্লিখিত হিন্দী চিনেমাসমূহত মানসিক ৰোগ, ৰোগী আৰু এই ৰোগৰ চিকিৎসাক অত্যধিক ৰোমাঞ্চিত কৰি তোলাৰ স্বাৰ্থত আসোঁৱাহপূৰ্ণভাৱে উপস্থাপন কৰা হৈছে। আমাৰ সমাজত ‘পগলা’, ‘পাগলী’, ‘বলিয়া’ আদি শব্দবোৰ অতি সুলভ। ‘পাগলামি’ আৰু ‘বলিয়ালি’ বুলি ক’লে মানসিক ৰোগী এজনৰ উদণ্ডতা, উচ্ছৃংখলতা আৰু সমাজ বিপৰীত আচৰণকে সূচায়। মানসিক ৰোগী বিশেষকৈ মহিলা মানসিক ৰোগীৰ প্ৰতি থকা এনে অস্পৃশ্য মনোভাৱৰ ফলত তেওঁলোক বহু বিপদত পৰা দেখা যায় আৰু চিকিৎসা প্ৰদানৰ ক্ষেত্ৰতো বাধাৰ সন্মুখীন হয়। বহু ৰোগীক চিকিৎসালয় বা মনোৰোগ বিশেষজ্ঞৰ ওচৰলৈ যোৱা দেখা নাযায়। কাৰণ এনে অস্পৃশ্যতাৰ ভাব চিকিৎসক, চিকিৎসা প্ৰতিষ্ঠানৰ প্ৰতিও পোষণ কৰা দেখা যায়। যেনে— ‘পগলা ফাটেক’, ‘পগলা ডাক্তৰ’, ‘পগলা হস্পিতাল’ আদি। সম্প্ৰতি জনসাধাৰণৰ মাজত দৃষ্টিভংগীৰ কিছু পৰিৱৰ্তন হৈছে যদিও প্ৰদৰ্শিত চিনেমাসমূহৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰপৰা আমাৰ সমাজ মুক্ত হ’ব পৰা নাই। এতিয়াও আমাৰ সমাজত মানসিক ৰোগীক উপযুক্ত চিকিৎসাৰ বিপৰীতে ঘৰতে আবদ্ধ কৰি ৰাখি অস্পৃশ্যতাৰ বলি হ’বলৈ বাধ্য কৰোৱা হয়। বিশেষকৈ পুৰুষতান্ত্ৰিক সমাজখনক মহিলা মানসিক ৰোগীসমূহক চিকিৎসালয়লৈ নিয়াত বহুত হেমাহি দেখা পোৱা যায়। ইয়াৰ কাৰণ হৈছে পৰিয়ালত নাৰীৰ প্ৰতি থকা বৈষম্যতা, পৰিয়ালৰ সন্মান হানি হোৱাৰ ভয়, নাৰীয়ে নিজে ল’ব নোৱাৰা সিদ্ধান্ত, অতিকৈ অন্ধবিশ্বাস অথাৎ বেজ-বেজালিৰ ওপৰত বেছি নিৰ্ভৰশীলতা ইত্যাদি। পৰিণতিত বহু মানসিক ৰোগীয়ে অন্তৰ্দগ্ধ হৈ আত্মহত্যা কৰাৰ উদাহৰণ অনেক আছে। সেয়ে ভাৰতীয় চিনেমা উদ্যোগে মানসিক ৰোগক বিষয়বস্তু হিচাপে লৈ নিৰ্মাণ কৰা চিনেমাসমূহত মহিলা মানসিক ৰোগ, ৰোগী আৰু চিকিৎসাৰ প্ৰতি প্ৰদৰ্শন কৰা নেতিবাচক দিশসমূহৰ পৰিৱৰ্তে ইবোৰৰ প্ৰতি সজাগ, সচেতন হোৱা দৃশ্যাৱলী প্ৰদৰ্শন কৰিলেহে প্ৰকৃত সামাজিক দায়বদ্ধতা পালন কৰা হ’ব আৰু মানসিক ৰোগীৰ প্ৰতিও ন্যায় প্ৰদান কৰা হ’ব।

**প্ৰসংগ পুথি ঃ**

১ Hall, Stuart.*Representation*. Sage Publication, 1997.

২ Cavallaro, Dani.*Critical and Culture Theory: Thematic Variation*. Athlone, 2001.



Volume - VII, 2024-25 **ISSN :** 2277-5277

৩ Bhugra, Dinesh. *Mad Tales from Bollywood: the Impact of Social, Political, and Economic Climate, on the Portrayal of Mental Illness in Hindi Films*. Tylor and Francis Groups, 2006.

৪ Bhatiya, G. et al. “Movies and Matters of Mind –Portrayal of psychiatric illness in Bollywood over last two decades: A content analyses”. *Asian Journal of Psychiatry*, 80,https://doi.org/10.1016/j.ajp.2022.1033985, 2023.

৫ Sinha, R., and G. Singh. “Bollywood Cinema and Mental Illness: An Approach to Balance Entertainmentand Exactness”. *ShodhKosh: Journal of Visual and Performing Arts*, vol. 5(1), pp. 16–29, 2024.

৬ Walker, Carl. *Depression and Globalization: The Politics of Mental Health inthe 21st. Century*. Springer, 2008.

৭ Kent, Deborah. *Snake Pits, Talking Cures and Magic Bullets: A History of Mental Illness.* Learner Publishing Group, 2003.

৮ Weiss, Mitchall. “The Treatment of Insane in India in the Lunatic Asylums of the Nineteenth Century.”*Indian Journal Psychiatry,* vol. 25, pp. 312- 316, 1983.

৯ Anderson, M. “One Flew Over the Psychiatric Unit’: Mental Illness and theMedia”. *Journal of Psychiatric and Mental Health Nursing,* vol. 10(3), pp. 297-306, 2003.

১০ Swaminath, G., and B. Ajit. “Cinemadness in search of sanity in Films”. *Indian Journal of Psychiatry*, vol. 51(4), pp. 244-246, 2009.

১১ Wahl, Otto F. *Media Madnass*. Rutgers University, 1995.

১২ Showalter, Elaine. “The Female Malady: Women, Madness and English Culture1830-1980”. Penguin Books, 1985.

১৩ Jacobus, Mary. *Reading Women*. Columbia University Press, 1986.

১৪ Tasca et al. “Women and Hysteria in The History of Mental Health”. *Clin Pract Epidemol Ment Health*, Vol. 8, pp. 110-119, 2012.

১৫ Addlakha, Renu. *Deconstructing Mental Illness: An Ethnography of Psychiatry,Women and Family.* Kali for Women, 2008.